গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE

# অসমীয়া বিভাগ

## Department of Assamese

# News Papers Cutting



# গড়গাঁও মহাবিদ্যালয়
# GARGAON COLLEGE

## NEWS PAPERS CUTTING (EVENT OF 2023-24)

### ‘আধ্যাত্মিকতা মানে জ্ঞানৰ মাজেৰে জীৱনৰ অন্বেষণ, সুন্দৰৰ সাধনা’

#### গড়গাঁও মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ সম্পন্ন

[illegible]

### গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ‘জ্ঞানযাত্ৰা’ শীৰ্ষক সম্প্ৰসাৰণ কাৰ্যসূচী

[illegible]

...মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়ালে আবৃত্তিৰ বাবে কণ্ঠ প্ৰস্তুতি, উচ্চাৰণ শুদ্ধতা আৰু স্পষ্টতাৰ লগতে গুৰুত্ব দিবলগীয়া অন্যান্য ... সম্প্ৰসাৰণ কাৰ্যসূচীৰ শলাগ লয় আৰু ভৱিষ্যতেও এনেদৰে বিভিন্ন ভিন্ন স্থানত শিক্ষাৰ্থীসকল উপকৃত হোৱাকৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।



### গড়গাঁও কলেজত প্ৰজ্ঞা সন্ধানী দিৱস উদ্‌যাপন

নিয়মীয়া বাৰ্তা, শিৱসাগৰ, '১৩ ছেপ্টেম্বৰ ঃ ‘সঁচা অৰ্থত প্ৰাজ্ঞ হ'বলৈ শিক্ষাক জ্ঞান, নৈতিকতা, মানবীয় প্ৰমূল্যবোধৰ প্ৰলেপেৰে, জীৱনৰ সত্য উপলব্ধিৰে আৰু প্ৰজ্ঞাৰ সাধনাৰে আমি আগুৱাই যাব লাগিব।’ — শিৱসাগৰৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত যোৱা ১৩ ছেপ্টেম্বৰ তাৰিখে অনুষ্ঠিত প্ৰজ্ঞা সন্ধানী দিৱস আৰু ঘন সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠানত এই মন্তব্য কৰি অনুষ্ঠানটো উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ কুলদীপ ৰঞ্জন দত্তই আঁত ধৰা অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰী মনীষা চুতীয়াই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই বন্তি প্ৰজ্বলন আৰু অসমীয়া বিভাগৰ প্ৰথমগৰাকী বিভাগীয় প্ৰধান প্ৰয়াত ঘন গগৈৰ পুত্ৰ অৰ্ণৱ গগৈয়ে স্মৃতি তৰ্পণ কৰাৰ পাছতে অনুষ্ঠানটিৰ আদৰণী ভাষণ আগবঢ়াই বিভাগীয় প্ৰধান প্ৰণৱ দুৱৰাই। উক্ত দিনাই বিভাগৰ সহযোগী অধ্যাপক নীলাক্ষি চেতিয়া, কণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়া, সহকাৰী অধ্যাপক দেৱযানী বকলীয়াল, ড° অংকুৰ দত্তৰ তত্বাৱধানত আৰু বিভাগৰ শিক্ষাৰ্থী জানটো দুৱৰী, মনজিৎ চাংমাই, সংগীতা বৰগোহাঁই, মাইনী বড়া, মুনমী দুৱৰা, চিম্পল গগৈ, নমী টাইৰাই, কংকনা শইকীয়া, অঞ্জনা কোঁৱৰ, আৰ্বাজ বৰবৰুৱা, মৃগাংকী ফুকন, পিংকী মাঝি, চাৰিফা বেগম আদিৰ বিশেষ উদ্যোগত ‘বামধেনু’ শীৰ্ষক এখনি প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰীণা সন্দিকৈয়ে। তেখেতে অসমীয়া বিভাগৰ প্ৰয়াসক শলাগ লোৱাৰ লগতে বিভাগৰ এই প্ৰচেষ্টা নিৰলসভাৱে আগবঢ়াই নিয়াৰ পৰামৰ্শ আগবঢ়ায়।

### গড়গাঁও মহাবিদ্যালয়ত ‘শংকৰদেৱ ঃ সৃষ্টি আৰু দৰ্শন’ শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ

শিৱসাগৰৰ পৰা মনোজ কুমাৰ গগৈ ঃ ...



আলোচনা-চক্ৰত ভাগ লোৱা বিশিষ্ট ব্যক্তিসকল

[illegible]

### গড়গাঁও মহাবিদ্যালয়ত প্ৰজ্ঞা সন্ধানী দিৱস উদ্‌যাপন

#### ঘন গগৈ সোঁৱৰণী বঁটা প্ৰদান



ষ্টাফৰিপৰ্টাৰ, শিৱসাগৰ ১৩ ছেপ্টেম্বৰঃ ‘সঁচা অৰ্থত প্ৰাজ্ঞ হ'বলৈ শিক্ষাক জ্ঞান, নৈতিকতা, মানবীয় প্ৰমূল্যবোধৰ প্ৰলেপেৰে, জীৱনৰ সত্য উপলব্ধিৰে আৰু প্ৰজ্ঞাৰ সাধনাৰে আমি আগুৱাই যাব লাগিব। ’শিৱসাগৰৰ ঐতিহ্যমণ্ডিত গড়গাঁও ... [illegible]

### গড়গাঁও মহাবিদ্যালয়ৰ উদ্যোগ ঃ শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ

### ঘিলাগুৰি উঃ মাঃ স্কুলত বিদ্যায়তনিক কৰ্মশালা সম্প...



নিয়মীয়া বাৰ্তা, চেপন, ২০ মাৰ্চ ঃ উজনি অসমৰ চৰাইদেউ জিলাৰ উচ্চ শিক্ষাৰ অন্যতম ...কেন্দ্ৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত, ...খনৰ শিশু প্ৰতিভা বিকাশ অনুষ্ঠান প্ৰভাকৌট আৰু যুৱ ট্ৰাবিজিম ক্লাব, শিৱসাগৰৰ যৌথ সহযোগত যোৱা ১৯ মাৰ্চত চেপনৰ ...মীপৰ ঘিলাগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ... [illegible]

...সাহিত্যসেৱী দেৱযানী বকলীয়ালে ... আবৃত্তিৰ কৌশল, আবৃত্তিৰ উপযো... সম্ভাৱনীয়তা আৰু ড° অংকুৰ দত্তই ... কৌশলৰ সম্পৰ্কত ছাত্ৰ-ছাত্ৰীসকলক ... প্ৰদান কৰে। ইয়াৰ পূৰ্বে কৰ্মশালা... প্ৰথমগৰাকী সম্বল ব্যক্তি ডিব্ৰুগড় ... ৰাজগড় বিদ্যানিকেতনৰ শিক্ষক ... আলীয়ে গণিত বিষয়ৰ প্ৰাথমিক ... [illegible]

গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE

## NEWS PAPERS CUTTING (EVENT OF 2021-22)

# গড়গাঁও কলেজত প্ৰবন্ধ প্ৰতিযোগিতা

ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৩০ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলাৰ অন্যতম উচ্চশিক্ষাৰ অনুষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত অসম ভিত্তিত অনলাইন প্ৰবন্ধ প্ৰতিযোগিতা এখনি অনুষ্ঠিত কৰিবলৈ লৈছে। প্ৰতিযোগিতাখনি স্নাতক শিক্ষাৰ্থীসকলৰ মাজত এটা

# গড়গাঁও কলেজত প্ৰবন্ধ

ল'বলৈ শিক্ষাৰ্থীসকলে 'ভূপেন হাজৰিকাৰ গীতঃ এক সামগ্ৰিক পৰ্যালোচনা' বিষয়ত অসমীয়া অথবা ইংৰাজী ভাষাত ১২০০-১৫০০ শব্দৰ ভিতৰত মৌলিক চিন্তা-চেতনাৰে প্ৰবন্ধ লিখিব লাগিব। প্ৰতিযোগীসকলে তেওঁলোকৰ নাম, শিক্ষানুষ্ঠানৰ নাম, ঠিকনা, মোবাইল নম্বৰ, ই-মেইল উল্লেখ কৰাৰ লগতে শিক্ষানুষ্ঠানৰ পৰিচয়-পত্ৰ লগত সংযুক্ত কৰি ২৫ অক্টোবৰ, ২০২১ ৰ ভিতৰত departmentassamesegc@gmail.com লৈ প্ৰেৰণ কৰিব লাগিব। প্ৰবন্ধ টাইপ কৰি পিডিএফত অথবা হাতে লিখা হ'লে পৰিপাটিকৈ এপিঠিত লিখি স্পষ্টকৈ ফটো তুলি পিডিএফ জমা দিব লাগিব। প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ীক মান-পত্ৰৰ লগতে একাদিক্ৰমে ৩০০০, ২০০০, ১০০০ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব। তদুপৰি সকলো অংশগ্ৰহণকাৰীক অংশগ্ৰহণৰ প্ৰমাণ-পত্ৰ প্ৰদানৰ লগতে মানসম্পন্ন প্ৰবন্ধসমূহ কিতাপ, আলোচনীত প্ৰকাশৰ ব্যৱস্থা কৰা হ'ব বুলি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই জানিবলৈ দিয়ে। অহা ৫ নৱেম্বৰ, ২০২১ তাৰিখে সুধাকণ্ঠৰ দশম মৃত্যু বাৰ্ষিকী উপলক্ষে মহাবিদ্যালয় পৰিয়ালৰদ্বাৰা অনুষ্ঠিত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হ'ব। আয়োজক সমিতিৰ অন্যতম মুখ্য উপদেষ্টা তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক নীলাক্ষি চেতিয়া, আহ্বায়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক প্ৰণৱ দুৱৰা, ৰুণজুন হাজৰিকা, সহযোগী অধ্যাপক প্ৰিয়মা দিহিঙীয়া আৰু প্ৰতিযোগিতাখনিৰ সমন্বয়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়াল আৰু ড° অংকুৰ দত্তই নৱ প্ৰজন্মক ভূপেন হাজৰিকাৰ গীতৰ অধ্যয়ন, চৰ্চাৰ প্ৰাসংগিকতা অনুধাৱন কৰাৰ লগতে অসমৰ সকলো মহাবিদ্যালয়ৰ স্নাতক শিক্ষাৰ্থীসকলক এই প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিবলৈ আহবান জনাইছে। প্ৰতিযোগিতাখনিৰ সমন্বয়কদ্বয়ে শিক্ষাৰ্থীসকলৰ যোগাযোগৰ ক্ষেত্ৰত সুবিধাৰ বাবে আগবঢ়োৱা ভ্ৰাম্যভাষ নম্বৰকেইটা হৈছে ৮০১১৫০৬৯৭৫, ৮৪০২০১২৭৮০ আৰু ৭০০২৯৭১০০২।